**ৰিঅ’ ডি জেনেৰিঅ’ত অনুষ্ঠিত ব্ৰিকছ সন্মিলনৰ সময়ছোৱাত বলিভিয়াৰ ৰাষ্ট্ৰপতিৰে মিলিত প্ৰধানমন্ত্ৰী (জুলাই 07, 2025)**

জুলাই 07, 2025

ব্ৰাজিলৰ ৰিঅ’ ডি জেনেৰিঅ’ত অনুষ্ঠিত হোৱা ব্ৰিকছ সন্মিলনৰ সময়ছোৱাত আজি প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী বলিভিয়াৰ ৰাষ্ট্ৰপতি মহামহিম লুইছ আৰ্চে কাটাকোৰাৰ সৈতে মিলিত হয়।

2. ইয়াত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত পৰ্য্যালোচনাৰে ইতিমধ্যে লাভ কৰা অগ্ৰগতি সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰে। তেওঁলোকে গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ, ব্যৱসায় আৰু বাণিজ্য, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আৰু ইউপিআই, স্বাস্থ্য আৰু মেডিচিন, পৰম্পৰাগত চিকিৎসা, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, প্ৰশিক্ষণ আৰু সামৰ্থ্য বিকাশৰ ক্ষেত্ৰত সহযোগিতা সম্পৰ্কে আলোচনা কৰে। দুয়োজন নেতাই গুৰুত্বপূৰ্ণ খনিজ খণ্ডত বৰ্ধিত সহযোগিতা আৰু ক্ষেত্ৰখনত বহনক্ষম তথা পাৰস্পৰিকভাৱে উপকাৰী অংশীদাৰিত্ব গঢ়ি তোলাৰ সম্ভাৱনাৰ কথা দোহাৰে। আইটিইচি বৃত্তি কাৰ্য্যসূচীৰ অধীনত দ্ৰুত প্ৰভাৱ প্ৰকল্প আৰু সামৰ্থ্য-বিকাশৰ পদক্ষেপকে প্ৰমুখ্য কৰি দুয়োখন দেশৰ মাজত অব্যাহত উন্নয়নমূলক সহযোগিতাক লৈ তেওঁলোকে সন্তোষ প্ৰকাশ কৰে।

3. 2025-ৰ মাৰ্চ-এপ্ৰিলত লাজ পাজ আৰু দেশখনৰ আন কেইবাটাও অঞ্চলত হোৱা ভয়াৱহ বানপানীৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীগৰাকীয়ে বলিভিয়াৰ জনসাধাৰণলৈ সমবেদনা জ্ঞাপন কৰে। তেখেতে আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটত যোগদানৰ বাবে বলিভিয়াক অভিনন্দন জনায়।

4. তেখেতে 2025-ৰ 6 আগষ্টত স্বাধীনতাৰ দুশ বছৰ সম্পূৰ্ণ হ’বলৈ আগবঢ়াৰ উপলক্ষত বলিভিয়াৰ জনসাধাৰণ আৰু চৰকাৰক দেশখনৰ দ্বি-শতবাৰ্ষিকীৰ উষ্ম শুভেচ্ছা জনায়।

ৰিঅ’ ডি জেনেইৰ’

জুলাই 07, 2025